

কামৰূপ গ্ৰাম্য জিলাৰ মিৰ্জাৰ ওচৰৰ বৰকুছি ক'লনী গাঁৱত জন্মগ্ৰহণ কৰা অমল চন্দ্ৰ দাসে ১৯৯৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হয়। ২০০৪ চনৰ পৰা গোলাঘাট জিলাৰ দেৰগাঁওস্থিত দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ত অসমীয়া বিভাগৰ সহকাৰী (জ্যেষ্ঠ) অধ্যাপক হিচাপে কৰ্মৰত।

**প্ৰকাশিত গ্ৰন্থসমূহ ঃ**

১. অসমীয়া সাহিত্যৰ সুগন্ধি (২০০৯)
২. সাহিত্য বিতান (২০১৫)
৩. সাহিত্যৰ উপচাৰ (২০১৭)

**সম্পাদিত ঃ**

৪. ভাষা-সাহিত্য সম্ভাৰ (২০০৫)
৫. অসমীয়া সাহিত্যৰ সঁফুৰা (২০১০)
৬. জনজাতীয় সংস্কৃতিৰ ৰূপৰেখা (২০১১)
৭. অসমীয়া উপন্যাস পৰিক্ৰমা (২০১২)
৮. বেজবৰুৱা প্ৰতিভাৰ দিগ্‌বলয় (২০১৪)
৯. প্ৰসংগ ঃ পাশ্চাত্য আৰু ভাৰতীয় সাহিত্য (২০১৬)
১০. প্ৰবন্ধ-নীহাৰিকা (২০১৭)
১১. ভাষা-সাহিত্য-সংস্কৃতিৰ নিৰন্তৰ সাধক প্ৰফুল্ল কুমাৰ নাথ ('অভিনন্দন গ্ৰন্থ',২০১৬)

**প্ৰকাশৰ পথত ঃ**

১২. পাশ্চাত্য সাহিত্য সমগ্ৰ
১৩. জীৱনী আৰু আত্মজীৱনী অধ্যয়ন

দ ঃ সঞ্জীৱ বৰা

বনলতা

ISBN 978-81-933536-7-7

অসমীয়া নাট পৰিক্ৰমা

সম্পাদনা
অমল চন্দ্ৰ দাস

বনলতা

# অসমীয়া নাট পৰিক্ৰমা

সম্পাদনা

অমল চন্দ্ৰ দাস

**ASOMIYA NATYA PARIKRAMA :** A book on some collection of critical essays on the valuable Assamese Drama, compiled and edited by Amal Chandra Das and Published by Ananta Hazarika on behalf of M/s Banalata, Jaswanta Road, Panbazar, Guwahati - 1, Assam.
First Edition : February, 2018 Price : ` 600/-

---

**প্ৰকাশক ঃ**
অনন্ত হাজৰিকা
বনলতা
পাণবজাৰ, গুৱাহাটী-১

**মুখ্য কাৰ্যালয় ঃ**
নতুন বজাৰ, ডিব্ৰুগড়-১

**website : www.banalata.in**
**webmail : banalata@banalata.in**
**email : banalata_india@yahoo.com**

© সম্পাদক

**প্ৰথম সংস্কৰণ ঃ** ফেব্ৰুৱাৰী, ২০১৮

**আৰ্হিপাঠ ঃ** আবুল হুছেইন

**প্ৰচ্ছদ ঃ** সঞ্জীৱ বৰা

**মূল্য ঃ** ৬০০·০০ টকা

ISBN : 978-81-933536-7-7

**অংগসজ্জা ঃ** কুমুদ শৰ্মা
বৰ্ণময়, পাণবজাৰ, গুৱাহাটী-০১

---

**মুদ্ৰক ঃ**
শৰাইঘাট ফটো টাইপছ প্ৰাঃ লিঃ
উদ্যোগপাম, বামুণীমৈদাম
গুৱাহাটী-৭৮১০২১

## দ্বিতীয় খণ্ড

### (নাট্যকাৰসকলৰ নাটকৰ সামগ্ৰিক্ বিচাৰ আৰু বিশ্লেষণ)


- মহাপুৰুষ শংকৰদেৱৰ নাট
  - নিলীমা শেনচোৱা/১৭১
- মাধৱদেৱৰ নাটক
  - লাৱণ্য বৰা/১৮২
- শংকৰোত্তৰ যুগৰ নাটক
  - ডক্টৰ ৰশ্মি বুঢ়াগোহাঁই /১৯০
- গুণাভিৰাম বৰুৱাৰ নাটক
  - ডক্টৰ লীলাৱতী শইকীয়া বৰা/২১৭
- হেমচন্দ্ৰ বৰুৱাৰ নাটক
  - অমল চন্দ্ৰ দাস /২৩৫
- পূৰ্ণকান্ত দেৱ শৰ্মাৰ নাটক
  - দুষ্মচন্দ্ৰ গোস্বামী /২৪১
- লক্ষ্মীনাথ বেজবৰুৱাৰ নাটক
  - ডক্টৰ সুব্ৰতজ্যোতি নেওগ /২৫৬
- দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ নাটক
  - ডক্টৰ আব্দুল মালিক/২৬২
- পদ্মনাথ গোহাঞিবৰুৱাৰ নাটক
  - ডক্টৰ মণিকা চুতীয়া/২৬৯
- চন্দ্ৰধৰ বৰুৱাৰ নাটক
  - ডক্টৰ ৰুবী বৰা/২৮৩
- নবীন চন্দ্ৰ বৰদলৈৰ নাটক
  - গায়ত্ৰী দেৱী/২৯৬
- অম্বিকাগিৰী ৰায়চৌধুৰীৰ নাটক
  - প'লি বৰা/৩০২
- পদ্মধৰ চলিহাৰ নাটক
  - ডক্টৰ জয়ন্ত কুমাৰ বৰা/৩০৮
- দণ্ডিনাথ কলিতাৰ নাটক
  - ডক্টৰ গায়ত্ৰী চুতীয়া/৩১৬
- শৈলধৰ ৰাজখোৱাৰ নাটক
  - ডক্টৰ দীপশিখা কলিতা/৩২৩
- মিত্ৰদেৱ মহন্তৰ নাটক
  - নয়নজ্যোতি ভূঞা/৩৩১
- কমলানন্দ ভট্টাচাৰ্যৰ নাটক
  - ডক্টৰ ধৰ্মেন্দ্ৰ দত্ত /৩৪৫
- নকুলচন্দ্ৰ ভূঞাৰ নাটক
  - ৰঞ্জিত দাস/৩৫৪
- দৈৱচন্দ্ৰ তালুকদাৰৰ নাটক
  - ডক্টৰ হেমন্তকুমাৰ দাস/৩৬০
- প্ৰসন্নলাল চৌধুৰীৰ নাটক
  - ডক্টৰ ৰমেন মেধি/৩৭১
- অতুলচন্দ্ৰ হাজৰিকাৰ নাটক
  - ডক্টৰ প্ৰফুল্ল কুমাৰ নাথ/৩৮১
- আনন্দচন্দ্ৰ বৰুৱাৰ নাটক
  - ডিম্বজ্যোতি বৰুৱা/৩৮৯
- গণেশ চন্দ্ৰ গগৈৰ নাটক
  - নমিতা শইকীয়া/৩৯১
- ব্ৰজনাথ শৰ্মাৰ নাটক
  - ডক্টৰ দয়ানন্দ পাঠক/৪০৯
- জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটক
  - ঋতুপৰ্ণা বুঢ়াগোহাঞি/৪১৮
- সাৰদা কান্ত বৰদলৈৰ নাটক
  - ডক্টৰ স্মৃতিৰেখা চেতিয়া সন্দিকৈ/৪৩৩
- প্ৰবীণ ফুকনৰ নাটক
  - ডক্টৰ কবিতা গগৈ/৪৪৫
- সুৰেন্দ্ৰ নাথ শইকীয়াৰ নাটক
  - কেশৱ শইকীয়া/৪৫৭
- সত্যপ্ৰসাদ বৰুৱাৰ নাটক
  - ডক্টৰ ৰীতা বৰা/৪৬১
- লক্ষ্যধৰ চৌধুৰীৰ নাটক
  - ডক্টৰ জলীন প্ৰকাশ চেতিয়া/৪৭১
- ফণী শৰ্মাৰ নাটক
  - ডক্টৰ বিনীতা বৰা দেৱচৌধুৰী/৪৯২
- সৰ্বানন্দ পাঠকৰ নাটক
  - ডক্টৰ লক্ষ্মীদাস পাঠক/৫০৫
- উত্তম বৰুৱাৰ নাটক
  - ভনীতা নাথ/৫১১
- ভবেন্দ্ৰনাথ শইকীয়াৰ নাটক
  - উষা দাস/৫২৫
- অৰুণ শৰ্মাৰ নাটক
  - ক্ষীৰোদ দাস/৫৩৬
- বসন্ত শইকীয়াৰ নাটক
  - ডক্টৰ তাপস বৰুৱা/৫৫৫
- প্ৰফুল্ল কুমাৰ বৰুৱাৰ নাটক
  - ডক্টৰ অৰ্চনা দেৱী/৫৭৪
- প্ৰফুল্ল বৰাৰ নাটক
  - ডক্টৰ জ্যোৎস্না শৰ্মা বেজবৰুৱা/৫৭৮
- যুগল দাসৰ নাটক
  - জ্যোৎস্না বড়া/৫৮৫
- মহেন্দ্ৰ বৰঠাকুৰৰ নাটক
  - নিৰোদ গোহাঁই/৫৯৪
- মুনীন ভূঞাৰ নাটক
  - ডক্টৰ দীপালি গগৈ/৬০৪
- আলি হাইদৰৰ নাটক
  - বিনন্দ বৰুৱা/৬১০
- অখিল চক্ৰৱৰ্ত্তীৰ নাটক
  - ডক্টৰ প্ৰাণজিৎ বৰুৱা/৬২৩
- সতীশ ভট্টাচাৰ্যৰ নাটক
  - ডক্টৰ বসন্ত কুমাৰ ভট্টাচাৰ্য/৬৩৬
- হিমেন্দ্ৰ কুমাৰ বৰঠাকুৰৰ নাটক
  - ডক্টৰ নৱ কুমাৰ চমুৱা/৬৪৮
- চন্দ্ৰধৰ চমুৱাৰ নাটক
  - প্ৰফুল্ল গগৈ/৬৫৫
- ৰাম গোস্বামীৰ নাটক
  - ডক্টৰ কানন মেধি পাটগিৰী/৬৬৩
- ৰফিকুল হোছেইনৰ নাটক
  - ডক্টৰ জ্যোতিৰ্ময়ী ভট্টাচাৰ্য/৬৬৮
- তৰুণ তালুকদাৰৰ নাটক
  - অমল চন্দ্ৰ দাস/৬৮১
- নগেন শইকীয়াৰ নাটক
  - ডক্টৰ হৰি প্ৰসাদ বৰুৱা/৬৮৮
- জগদীশ পাটগিৰীৰ নাটক
  - ডক্টৰ নৱজ্যোতি শৰ্মা/৬৯৮
- পৰমানন্দ ৰাজবংশীৰ নাটক
  - ডক্টৰ প্ৰণতি তালুকদাৰ/৭০৯
- নৰেন পাটগিৰীৰ নাটক
  - ডক্টৰ সুব্ৰতজ্যোতি নেওগ/৭২৪
- হেমন্ত দত্তৰ নাটক
  - ডক্টৰ কনেশ্বৰ বৰুৱা/৭২৮
- ঘন হাজৰিকাৰ নাটক
  - ডক্টৰ হেমন্ত কুমাৰ চলিহা/৭৪৩
- সেৱাব্ৰত বৰুৱাৰ নাটক
  - ডক্টৰ মন্দিৰা শৰ্মা চলিহা/৭৫১
- কৰুণা ডেকাৰ নাটক
  - বিজিত কুমাৰ নাথ/৭৫৮
- পংকজজ্যোতি ভূঞাৰ নাটক
  - ৰলীন ভূঞা/৭৭৫
- গুণাকৰ দেৱগোস্বামীৰ নাটক
  - প্ৰভাত ভূঞা/৭৮৬
- সপোনজ্যোতি ঠাকুৰৰ নাটক
  - ডক্টৰ প্ৰাণজিৎ বৰুৱা/৭৯২
- হিল্লোল কুমাৰ পাঠকৰ নাটক
  - ডক্টৰ সুব্ৰতজ্যোতি নেওগ/৮০০
- লেখক পৰিচিতি/৮০৬



# নগেন শইকীয়াৰ নাটক

ডক্টৰ হৰি প্ৰসাদ বৰুৱা

**ভূমিকা ঃ**

নগেন শইকীয়া অসমৰ এগৰাকী বিশিষ্ট সাহিত্যিক। তেখেতৰ সৃষ্টিশীল সাহিত্যৰ ভিতৰত নাটক অন্যতম। শইকীয়াই দুখন নাটক ৰচনা কৰিছে — 'ঊষা-লগ্ন' আৰু 'কবৰতলীৰ আৰ্তস্বৰ'। 'ঊষা-লগ্ন' নাটকখন নীলমণি ফুকনৰ দ্বাৰা সম্পাদিত 'সংজ্ঞা' (১৯৭৮) নামৰ আলোচনীত প্ৰকাশ পাইছে। আনহাতে 'কবৰতলীৰ আৰ্তস্বৰ' অৰুণ শৰ্মাই সম্পাদনা কৰা 'অনাতাঁৰ নাট্যাৱলী' (১৯৮৪) নামৰ নাট্য-সংকলনত অন্তৰ্ভুক্ত হৈছে। এই নাটকখন *ৰাষ্ট্ৰীয় গ্ৰন্থ ন্যাসে* প্ৰকাশ কৰা আৰু সত্যপ্ৰসাদ বৰুৱাৰ দ্বাৰা সম্পাদিত *অসমীয়া একাংক নাটৰ সংকলন*তো সন্নিৱিষ্ট হৈছে।

**ঊষা-লগ্ন ঃ**

*ঊষা-লগ্ন* এখন প্ৰতীকধৰ্মী কাব্য-নাট। এটি সুবিন্যস্ত কাহিনী ৰূপায়ণৰ বিপৰীতে নাট্যকাৰে ইয়াত মাথোন এটি চিৰন্তন ভাববস্তুক কাব্যিক প্ৰকাশেৰে উপস্থাপন কৰিছে। সেয়া হৈছে আধুনিক মানুহৰ মন আৰু মগজু আলোড়িত কৰি ৰখা প্ৰেম। মানৱ সভ্যতাৰ উত্তৰণৰ লগে লগে সাহিত্যৰ মাজেৰে প্ৰেমৰ মহত্ত্বৰ কথা বৈচিত্ৰ্যময় ৰূপত ঘোষিত হৈ আহিছে। ঊষা-লগ্ন নাটখনত নাৰী-পুৰুষৰ সম্পৰ্কৰ আধাৰত প্ৰেমৰ মহত্ত্বৰ কথাই অৱতাৰণা কৰা হৈছে।

**ভাববস্তু ঃ**

সামন্তীয় দৃষ্টিভংগী অনুযায়ী নাৰী কেৱল ভোগৰ সামগ্ৰী, পুৰুষৰ বাসনাৰ সমল। নাৰী-পুৰুষৰ সম্পৰ্ক কেৱল যৌনসৰ্বস্ব আকৰ্ষণ। কিন্তু নাৰীয়ে বিচাৰে হৃদয় পৰিপূৰ্ণ কৰিব পৰা প্ৰেম আৰু আন্তৰিক সম্পৰ্ক। সহজ অন্তৰংগতা, সাহচৰ্য আৰু পাৰস্পৰিক বুজাপৰা তথা মৰ্যাদাৰ ভিত্তিত গঢ় লোৱা এক মানৱিক সম্পৰ্কৰে নাৰীয়ে জীৱন যাপন কৰিব বিচাৰে। কিন্তু প্ৰকৃত প্ৰেমে যিদৰে হৃদয়ত গভীৰতম আৱেগ আৰু মহত্তম কল্পনা উদ্দীপ্ত কৰি মানুহক মহত্ত্ব প্ৰদান কৰিব পাৰে, তেনেকৈ সংকীৰ্ণ সংজ্ঞাৰে সীমিত কৰিব খোজা প্ৰেমে প্ৰেমিক-প্ৰেমিকাক কেৱল আত্মমগ্ন আৰু স্বাৰ্থপৰ কৰি তুলিবও পাৰে। "সামন্তীয় আৰু পুৰুষ-নিয়ন্ত্ৰিত সমাজৰ পৰা আহৃত মূল্যবোধ আৰু সংকীৰ্ণ চেতনাই প্ৰেমিকা নাৰীক স্বাৰ্থান্ধ কৰি দিব পাৰে, জীৱনৰ ব্যাপ্তি আৰু প্ৰাচুৰ্য দিব পৰা প্ৰেমৰ শক্তি সম্পৰ্কে অজ্ঞ কৰি ৰাখিব পাৰে। আনহাতে প্ৰকৃত প্ৰেমে ব্যক্তিৰ পৰা সমষ্টিলৈ, মানৱতাবাদৰ বিশালতা আৰু মহত্ত্বৰ দিশে আগবাঢ়িবলৈ প্ৰেমিকজনক অনুপ্ৰাণিত কৰিব পাৰে। পশ্চাদমুখী সংস্কাৰ আৰু দৃষ্টিভংগীক নিষ্ঠুৰভাৱে বিসৰ্জন দিব নোৱাৰিলে প্ৰেমে উন্মুক্ত কৰি দিয়া দিগন্তৰ বিশালতা, উদাৰতা আৰু বহল মানৱতাবাদৰ ওচৰ চাপিব নোৱাৰি। এনেধৰণৰ ভাববস্তু লৈয়ে কাব্য-নাটখনি ৰচিত।"[১]

**চৰিত্ৰ ঃ**

কাব্য-নাটখনিৰ চৰিত্ৰবোৰক গতানুগতিক নাটকত দিয়াৰ নিচিনাকৈ একোটা বিশেষ নাম দিয়া হোৱা নাই। চৰিত্ৰসমূহৰ সুস্পষ্ট পৰিচয়ো পাবলৈ নাই। পুৰুষ, স্বামী, ডেকা, নাৰী আৰু গাভৰু — এই পাঁচোটা পৰিচয়েৰেই চৰিত্ৰসমূহৰ নামকৰণ কৰা হৈছে। সেয়ে কাব্য-নাটখনিৰ চৰিত্ৰসমূহে বিশেষ এখন দেশৰ, বিশেষ এক সময়ৰ বিশিষ্ট একো একোগৰাকী ব্যক্তিক নিৰ্দেশ কৰাৰ পৰিৱৰ্তে, সকলো দেশৰ সকলো সময়ৰ একো একোটা শ্ৰেণীক প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম। এই সাৰ্বজনীনতাৰ অন্তৰালত যে এক ধৰণৰ বিশ্বদৰ্শন বা সত্যদৰ্শন অন্তৰ্নিহিত হৈ আছে, সেয়া অনুমান কৰিব পাৰি। ইয়াৰ জৰিয়তে পৰম্পৰাগত নাটকত থকা স্থান-কাল-পাত্ৰৰ সীমাবদ্ধতাৰ ধাৰণা প্ৰতিহত হৈছে।

**দৃশ্য আৰু মঞ্চ নিৰ্দেশনা ঃ**

নাটখনিত মুঠ চাৰিটা দৃশ্য আছে। প্ৰতিটো দৃশ্যৰ আৰম্ভণিতে চমু মঞ্চ নিৰ্দেশনা দিয়া হৈছে। এই দৃশ্য আৰু মঞ্চ নিৰ্দেশনা সঠিক তথা বিশেষ পৰিৱেশ সৃষ্টিকাৰী হিচাপে সৃষ্টি কৰা হৈছে। নাট্যকাৰে চৰিত্ৰসমূহ কেনে ধৰণৰ হোৱাটো বিচাৰিছে সেয়া এই দৃশ্য আৰু মঞ্চ নিৰ্দেশনাতেই স্পষ্ট কৰি দিছে। নাটখনিত মুঠ ২৯ টা চমু নিৰ্দেশনা আছে আৰু ইয়াৰে বেছি সংখ্যকেই চৰিত্ৰৰ চাল-চলন আৰু অৱস্থানৰ নিৰ্দেশ দিছে। পৰিৱেশ সৃষ্টি আৰু পৰিৱেশৰ পৰিৱৰ্তনৰ নিৰ্দেশনা তেনেই তাকৰ। কিন্তু এইবোৰ যথাযথ হৈছে। উদাহৰণস্বৰূপে প্ৰথম দৃশ্যৰ ধূসৰতাই আচ্ছন্ন কৰি ৰখা কোঠা, দ্বিতীয় দৃশ্যৰ লাহে লাহে পোহৰ হোৱাৰ দৃশ্য, নদীৰ শব্দ; তৃতীয় দৃশ্যৰ নিষ্প্ৰভ পোহৰত দেখা প্ৰাসাদৰ কক্ষ আৰু চতুৰ্থ তথা অন্তিম দৃশ্যৰ পুৱাৰ পোহৰৰ আভাস আদিয়ে তৎকালীন বাস্তৱ পৰিস্থিতিৰ বৰ্ণনা দিয়াৰ উপৰি নাটকীয় ঘটনাৰ পৰিৱৰ্তিত ৰূপৰ ইংগিত বহন কৰিছে।

**প্ৰথম দৃশ্য ঃ**

'ঊষা-লগ্ন' নাটখনিৰ প্ৰথম দৃশ্যৰ পটভূমি হ'ল এটি প্ৰাচীন প্ৰাসাদ; য'ত বিশালতাৰ লগতে অৱক্ষয়ৰ আভাস ফুটি উঠিছে বুলি নাট্যকাৰে উল্লেখ কৰিছে। দৃশ্যটিত 'পুৰুষ' আৰু 'নাৰী' এই নামেৰেই দুটি চৰিত্ৰ উপস্থাপন কৰা হৈছে। ঘটনা প্ৰবাহ আৰম্ভ হৈছে ৰাতি পুৱাৰ বজাৰপৰা। আৰম্ভণিতেই থকা পুৰুষ কণ্ঠৰ স্বগতোক্তিৰ পৰা চৰিত্ৰটোৰ জিঘাংসু মনোবৃত্তিৰ পৰিচয় প্ৰকট হৈছে —

**পুৰুষ কণ্ঠ ঃ** কিমান দিন আৰু অনিদ্ৰাৰ আন্ধাৰৰ মাজত দুঃসহ সময় পাৰ কৰিম প্ৰতিটো শত্ৰুৰ ছিন্নমূৰ নেদেখাকৈ মই শুব নোৱাৰোঁ[২]

তেওঁৰ কথাৰ পৰা বুজা যায় যে তেওঁ নৃশংস, বৰ্বৰ আৰু দৈহিক বাসনাপিয়াসী স্বাৰ্থপৰ ঃ

**পুৰুষ কণ্ঠ ঃ** তোমাৰ উচুপনিৰ মাজতো তুমি লোভনীয়[৩]

তেওঁ নিজ-বাসনা পূৰণৰ অৰ্থে অতি বৰ্বৰোচিত আচৰণেৰে চৰম পৰ্যায়লৈ যাব পাৰে। মানৱীয় অনুভূতি বিসৰ্জন দি সমগ্ৰ মানৱীয়তাকেই নাশ কৰিব খোজে। এই কথা অতি স্পষ্ট ৰূপত দ্বিতীয়টি চৰিত্ৰ নাৰীৰ দোষাৰোপৰ মাজেৰে প্ৰকাশ পাইছে ঃ

**নাৰী কণ্ঠ ঃ** যেতিয়া এটা কেঁচুৱাই মাকৰ পিয়াহ বিচাৰিছিল তুমি তাক কুঁৱাত পেলাই দিলা কাৰণ সেই নাৰী তোমাৰ ভোগৰ বাবে যেতিয়া নিষ্পাপ ডেকাই তাৰ প্ৰেয়সীৰ ওঁঠত কৰ্ম-ক্লান্ত দিনৰ পিছত তাৰ ওঁঠ থ'ব খুজিছিল তুমি তাৰ বুকুত আমূল বহুৱাই দিলা তীক্ষ্ণ চুৰী যেতিয়া ক্ষুধাকাতৰ মানুহবোৰে এমুঠি চপাই লৈছিল তুমি সিহঁতৰ মূৰৰ ওপৰেৰে ঘোঁৰা চেকুৱাই দিলা[৪]।

এনে এগৰাকী পুৰুষৰ বাবে মানুহৰ আৱেগ-অনুভূতিৰ মূল্য নাই। তেনে পুৰুষৰ হৃদয়ত প্ৰেমে গভীৰতম আৱেগ আৰু মহত্তম কল্পনা উদ্দীপ্ত নকৰে। কেৱল ইন্দ্ৰিয়বিলাসী পুৰুষে এগৰাকী নাৰীৰ গভীৰ সান্নিধ্য লাভৰ পাছতো নাৰীগৰাকীৰ ইচ্ছা-অভীপ্সা অনুধাৱন কৰিব নোৱাৰে। সেয়ে নাৰীয়ে অভিযোগ কৰিছে —

**নাৰী ঃ** তোমাৰ পাপ তোমাৰ অন্ধকাৰ তোমাৰ অনিদ্ৰাৰ মাজলৈ কিয় টানিছা. . . কাৰণ তুমি মোক বিচাৰা মোৰ ওঁঠ স্তন উৰুৰ মাজত তুমিতো নাজানা —নাৰীৰ হৃদয় কি দ্বন্দ্বেৰে আন্দোলিত[৫] এনে সময়তে নাৰীয়ে স্মৰণ কৰিছে জীৱনৰ মোহনীয় ৰঙীণ স্বপ্ন আৰু নিষ্পাপ আৱেগৰ স্মৃতি। অৱশ্যে সেই স্মৃতিও ধূসৰ (সোণালী নে ৰূপালী ফিঙাৰে— এই সন্দেহৰ উল্লেখ